# G20 Foreign Ministers' Extraordinary Meeting (Virtual) on Strengthening International Cooperation Across Borders

September 03, 2020

# সীমান্তত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাক শক্তিশালী কৰাক লৈ জি 20 বৈদেশিক মন্ত্ৰীসকলৰ অভিনৱ বৈঠক(ভাৰ্চুৱেল)

ছেপ্তেম্বৰ 03, 2020

জি–20 বৈদেশিক মন্ত্ৰীসকলৰ অভিনৱ বৈঠকখন 3 ছেপ্তেম্বৰ 2020 তাৰিখে জি–20ৰ বৰ্তমানৰ অধ্যক্ষ ছৌডি আৰবৰ দ্বাৰা আহ্বান কৰা হৈছিল। বৈঠকখনৰ অধ্যক্ষতা কৰিছিল ছৌডি আৰবৰ বৈদেশিক পৰিক্ৰমাৰ মন্ত্ৰী মহামান্য ৰাজকুমাৰ ফেইজল বিন অল–ছাউদে। ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে।

ক'ভিড–19 মহামাৰী সংকটৰ পটভূমিত এই ভাৰ্চুৱেল বৈঠকখনৰ আহ্বান কৰা হৈছিল। ক'ভিড–19 সংকটৰ পৰিপ্ৰেক্ষিতত এই আলোচনাসমূহ সীমান্তত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাক শক্তিশালী কৰাক কেন্দ্ৰ কৰি কৰা হৈছিল। মন্ত্ৰীসকলে ক'ভিড–19 মহামাৰীৰ প্ৰতিক্ৰিয়া হিচাপে ৰাষ্ট্ৰীয় অনুভৱসমূহ আৰু সীমান্ত ব্যৱস্থাপনাৰ পৰা লাভ কৰা অভিজ্ঞতাসমূহৰো বিনিময় কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে তেখেতৰ বক্তব্যত এই ক'ভিড–19 মহামাৰীৰ সৈতে মোকাবিলা কৰাত জি–20 দেশসমূহক একত্ৰিত কৰাৰ ক্ষেত্ৰত ছৌদি আৰবৰ সক্ৰিয় ভূমিকাৰ বাবে প্ৰশংসা কৰে।

এই মহামাৰীৰ পৰিপ্ৰেক্ষিতত ভাৰতে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেখেতে জি–20ৰ বৈদেশিক মন্ত্ৰীসকলক বন্দে ভাৰত মিছন সহ ভাৰতে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে আৰু ভাৰতত আৱদ্ধ হৈ থকা বিদেশী নাগৰিকসকলৰ কল্যাণ আৰু সুৰক্ষাৰ কাৰণে 'ভ্ৰমণ ববলছ'–ৰ উদ্ভাৱন কৰা হৈছে।

বৈদেশিক পৰিক্ৰমে মন্ত্ৰীয়ে বিদেশৰ শিক্ষাৰ্থীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু আৱদ্ধ হৈ থকা সমুদ্ৰযাত্ৰীসকলক স্বদেশলৈ ঘূৰাই অনাৰ ব্যৱস্থা নিশ্চিত কৰাৰ কাৰণে বিশ্বৰ সকলো দেশৰ চৰকাৰলৈ আহ্বান জনায়।

বৈদেশিক পৰিক্ৰমে মন্ত্ৰীয়ে তিনিটা উপাদানঃ a) পৰীক্ষাৰ পদ্ধতিৰ মান নিৰ্দ্ধাৰণ আৰু পৰীক্ষাৰ ফলাফলৰ সাৰ্বজনীন গ্ৰহণযোগ্যতা; b) 'কোৱাৰেনটাইন প্ৰক্ৰিয়া'ৰ মান নিৰ্দ্ধাৰণ; c) গতিবিধি আৰু ট্ৰানজিত প্ৰটোকলৰ মান নিৰ্দ্ধাৰণৰ সৈতে 'সীমান্তত সমন্বিত মানুহৰ গতিবিধিৰ ওপৰত জি–20 নীতিসমূহ'ৰ স্বেচ্ছাসেৱা উন্নয়নৰো প্ৰস্তাৱ আগবঢ়ায়।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 03, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.